# Telephone Conversation between PM and President of Republic of Korea

April 09, 2020

# প্ৰধানমন্ত্ৰী আৰু কোৰিয়া গণৰাজ্যৰ ৰাষ্ট্ৰপতিৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

এপ্ৰিল 09, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি কোৰিয়া গণৰাজ্যৰ ৰাষ্ট্ৰপতি মহামহিম মুন জে–ইনৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে।

প্ৰধানমন্ত্ৰী মোডীয়ে যোৱা বছৰ তেখেতৰ কোৰিয়া গণৰাজ্য ভ্ৰমণৰ কথা আন্তৰিকতাৰে সোঁৱৰে আৰু দুয়োখন দেশৰ মাজত ক্ৰমবৰ্ধমান ঘনিষ্ঠ সম্পৰ্কৰ বিষয়ত সন্তোষ প্ৰকাশ কৰে।

দুয়োগৰাকী নেতাই কভিড–19 বৈশ্বিক মহামাৰী আৰু ইয়াৰ ফলত বিশ্বৰ স্বাস্থ্য ব্যৱস্থাসমূহ আৰু অৰ্থনৈতিক অৱস্থালৈ কঢ়িয়াই অনা প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা কৰে। তেওঁলোকে নিজ নিজ দেশত গ্ৰহণ কৰা পদক্ষেপসমূহৰ তথ্য বিনিময় কৰে।

এই সংকটক পৰিচালনা কৰাৰ কাৰণে কোৰিয়া গণৰাজ্যই প্ৰণয়ন কৰা প্ৰযুক্তিগত সঁহাৰি ব্যৱস্থাৰ প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে। জনসাধাৰণক ঐক্যবদ্ধ কৰি ৰাখিবলৈ ভাৰতীয় প্ৰাধিকৰণে গ্ৰহণ কৰা ব্যৱস্থাৰ ৰাষ্ট্ৰপতি মুন জে–ইনে প্ৰশংসা কৰে।

ভাৰতত থকা কোৰিয়াৰ নাগৰিকসকললৈ ভাৰতীয় প্ৰাধিকৰণে আগবঢ়োৱা সহায়ৰ কাৰণে কোৰিয়াৰ ৰাষ্ট্ৰপতি গৰাকীয়ে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

ভাৰতীয় উদ্যোগসমূহলৈ চিকিৎসা সামগ্ৰী যোগান আৰু পৰিবহণৰ সুবিধা আগবঢ়োৱা বাবে কোৰিয়ান চৰকাৰক প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে।

কভিড–19ৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত দুয়ো দেশৰ বিশেষজ্ঞই পৰস্পৰৰ মাজত যোগাযোগ ৰাখিব আৰু তেওঁলোকৰ অভিজ্ঞতাসমূহ বিনিময় কৰাৰ কথাটোত দুয়োগৰাকী নেতাই সহমত ব্যক্ত কৰে।

কোৰিয়া গণৰাজ্যৰ আসন্ন সাধাৰণ নিৰ্বাচন উপলক্ষে প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি মুনক শুভেচ্ছা জনায়।

**নতুন দিল্লী**
**এপ্ৰিল 09, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.